**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

নং ঃ ৬১৯/২০১৯

**খেলো ইণ্ডিয়া যুথ গেমছ-২০২০ ৰ টৰ্চ ৰেলী শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে**

**ৰাজ্য চৰকাৰে ভিলেজ অলিম্পিক টেলেন্ট হান্ট অনুষ্ঠিত কৰিব ঃ মুখ্যমন্ত্ৰী**

**শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াৰ জৰিয়তে ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়ন সাধনত মুখ্যমন্ত্ৰীৰ গুৰুত্ব**

**দিছপুৰ, ২৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত এক অনুষ্ঠানৰ জৰিয়তে খেলো ইণ্ডিয়া যুথ গেমছ্-২০২০ ৰ টৰ্চ ৰেলী আনুষ্ঠানিকভাবে শুভাৰম্ভ কৰে। এই টৰ্চ ৰেলী অনুষ্ঠান ৰাজ্যখনৰ সকলো জিলা সদৰতে অনুষ্ঠিত হ'ব। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত হৈ যোৱা চাউথ এছিয়ান গেমছ ২০১৯-২০ ত পদক প্ৰাপ্ত খেলুৱৈ সকলক আৰ্থিক পুৰস্কাৰ প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্য চৰকাৰৰ সংহত ক্ৰীড়া নীতি অনুসৰি মেডেল প্ৰাপ্ত খেলুৱৈ সকলকো আৰ্থিক উদগণি আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে মেডেল প্ৰাপ্ত সকলক অসম অলিম্পিক সন্থাই আগবঢ়োৱা ৫০ হাজাৰ টকাৰ আৰ্থিক অনুদানো প্ৰদান কৰে।

আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ২০১৬ বৰ্ষত গুৱাহাটীত অনুষ্ঠিত হোৱা দ্বাদশ চাউথ এছিয়ান গেমছত অসমৰ পদকপ্ৰাপ্ত খেলুৱৈসকলকো আৰ্থিক পুৰস্কাৰ প্ৰদান কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাজ্যখনৰ মানৱ সম্পদৰ বিকাশৰ বাবে শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি কয়। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াৰ সমন্বয়ৰ জৰিয়তেহে ৰাজ্যখনৰ মানৱ সম্পদৰ উত্তৰণ সম্ভৱ। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়া হ'ল ব্যক্তিগত আৰু সামাজিক সৱলীকৰণৰ এক অন্যতম আহিলা।

মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়াই বহুমুখী উত্তৰণৰ দিশত সহায় কৰে। ক্ৰীড়াবিদ সকলে নিষ্ঠা আৰু ঐকান্তিকতাৰে ক্ৰীড়াই বহন কৰা সৌন্দৰ্যক উপযুক্তভাবে হৃদয়ংগম কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া তৃতীয় খেলো ইণ্ডিয়া ইয়ুথ গেমছত অসমৰ পৰা অৱতীৰ্ণ হ'বলগীয়া ৬৩৩ গৰাকী ক্ৰীড়া প্ৰতিযোগীক এই প্ৰতিযোগিতাত সফলতা অৰ্জনৰ বাবে প্ৰতিযোগিতামুখী মানসিকতাৰে অৱতীৰ্ণ হৈ ৰাজ্যখনলৈ সুনাম কঢ়িয়াই অনাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা সমূহত অৱতীৰ্ণ হ'বলগীয়া ক্ৰীড়াবিদ সকলক নিষ্ঠা, ঐকান্তিকতা, শৃংখলাবদ্ধতাৰে অনুশীলনত ব্ৰতী হোৱাৰ বাবেও আহ্বান জনায়। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ক্ৰীড়াবিদ সকলক উৎসাহিত কৰাৰ বাবে বিভিন্ন পদক্ষেপ লৈছে আৰু ভৱিষ্যতেও আৰু অধিক পদক্ষেপ ল'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনৰ ক্ৰীড়া বাতাবৰণৰ সমন্বিত উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে ভিলেজ অলিম্পিক টেলেন্ট হান্ট ৬ টা শাখাত অনুষ্ঠিত কৰিব।

আজিৰ এই অনুষ্ঠানতে কৃষি মন্ত্ৰী অতুল বৰাই খেলো ইণ্ডিয়া যুথ গেমছ-২০২০ ৰ থীম ছঙৰ ভিডিঅ' মুকলি কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ

কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ ক্ৰীড়া প্ৰেক্ষাপটৰ উত্তৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ আলোকপাত কৰে।

আজিৰ এই অনুষ্ঠানত বক্সিঙত শিৱ থাপা, কাবাডীত হাছিনা বেগম, আৰ্চাৰীত মানসজ্যোতি চাংমাই, জয়ন্ত তালুকদাৰ, ফুটবলত বিনীত ৰায়, হলিচৰণ নাৰ্জাৰী, টাইকোৱাণ্ডোত সবিতা ৰামচিয়াৰী, ল'ন বলত মৃদুল বৰগোহাঁই, আনন্দ নাৰ্জাৰী, বনগীতা হাজৰিকা, তানিয়া চৌধুৰী, নয়নমণি শইকীয়া, ৱেট লিফটিঙত সুৰজিৎ চাংমাই, সিদ্ধান্ত গগৈ, পাৰা এথলেট অভিষেক গগৈ, পাৰা চুইমাৰ অন্যতম ৰাজকুমাৰ, চুইমিঙত অস্মিতা চলিহা, শিৱাঙ্গী শৰ্মা, টাইকোৱাণ্ডোত ৰ'দালি বৰুৱা, হৰ্ষ সিনহা আৰু ফেন্সিঙত কবিতা দেৱীক বিত্তীয় অনুদান প্ৰদান কৰা হয়।

অনুষ্ঠানত ছাইৰ সঞ্চালক প্ৰধান সন্দীপ প্ৰধান, স্পৰ্টছ অথৰিটি অৱ আসামৰ সঞ্চালক প্ৰধান ওমকাৰমল কেডিয়া, বিশিষ্ট ক্ৰীড়া সাংবাদিক প্ৰেমধৰ শৰ্মা, খেলো ইণ্ডিয়া ইয়ুথ গেমছ-২০২০ ৰ মুখ্য কাৰ্যবাহী বিষয়া অবিনাশ যোশীকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি আৰু ক্ৰীড়াবিদে অংশ গ্ৰহণ কৰে।

**সুঃদঃ / বঃভাঃ**
**২৯/১২/২০১৯**